**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-SEP-2025
**Time :** 1340  Hrs

***Assamese Midday Bulletin***
***Headlines***
--------------------

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব।

২। চি পি ৰাধাকৃষ্ণণে আজি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি ৰূপে শপত গ্ৰহণ কৰিছে।

৩। শ্ৰীলংকা চৰকাৰে প্ৰাক্তন ৰাষ্ট্ৰপতিসকলক আজীৱন চৰকাৰী বাসগৃহৰ সুবিধা প্ৰদান প্ৰত্যাহাৰ কৰাৰ পাছত প্ৰাক্তন ৰাষ্ট্ৰপতি মহিন্দ্ৰ ৰাজাপাক্ষই তেওঁৰ কলম্বোত থকা চৰকাৰী বাসগৃহ ত্যাগ কৰিছে।

৪। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ইজৰাইলী সেনাবাহিনীয়ে যোৱা মঙলবাৰে কাটাৰৰ ৰাজধানী ডোহাৰ ওপৰত চলোৱা আক্ৰমণৰ গৰিহণা দিছে।

**আৰু**

৫। ভাৰত আৰু ফ্ৰান্সে জম্মু আৰু কাশ্মীৰৰ পেহেলগামত যোৱা এপ্ৰিল মাহত সংঘটিত সন্ত্ৰাসবাদীৰ জঘন্য আক্ৰমণক গৰিহণা দিছে।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ মিজোৰাম, মণিপুৰ আৰু অসমলৈ আহিব। প্ৰধানমন্ত্ৰী মোদী কাইলৈ পুৱা ৯ বজাত আইজলৰ লেংপুই বিমান বন্দৰত উপস্থিত হোৱাৰ পাছত হেলিকপ্তাৰযোগে পোনে পোনে থুৱামপুইলৈ যাব। দিনৰ ১০ বজাত তেওঁ আইজলৰ লামউৱালত আয়োজিত এটা অনুষ্ঠানত নৱনির্মিত ভৈৰবী-চাইৰাং ৰে'লপথেৰে তিনিখন নতুন ৰে'লগাড়ীৰ যাত্ৰাৰ ভাৰ্চুৱেলি শুভাৰম্ভ কৰিব। এই নতুন ৰে'লগাড়ীকেইখন হৈছে চাইৰাং আৰু দিল্লীৰ মাজত সাপ্তাহিক ৰাজধানী এক্সপ্ৰেছ, চাইৰাং আৰু গুৱাহাটীৰ মাজত দৈনিক এক্সপ্ৰেছ আৰু চাইৰাং আৰু ক'লকাতাৰ মাজত ত্ৰিসাপ্তাহিক এক্সপ্ৰেছ। ৰে'লগাড়ীৰ যাত্ৰা আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰিব। ২০৫০৭ আৰু ২০৫০৮ নম্বৰৰ এই ৰাজধানী এক্সপ্ৰেছখনে চাইৰাঙৰ পৰা আনন্দ বিহাৰলৈ দুহেজাৰ ৫১০ কিলোমিটাৰ দূৰত্ব ৪৩ ঘণ্টা ২৫ মিনিটত সম্পূৰ্ণ কৰিব। গুৱাহাটী আৰু চাইৰাঙৰ মাজত প্ৰৱৰ্তন কৰা ১৫৬০৯ আৰু ১৫৬১০ নম্বৰৰ দৈনিক ৰে'লগাড়ীখনে এই দূৰত্ব ১৩ ঘণ্টা ৩০ মিনিটত সম্পন্ন কৰিব। আনহাতে, ১৩১২৫ আৰু ১৩১২৬ নম্বৰৰ ত্ৰিসাপ্তাহিক ৰে'লগাড়ীখনে চাইৰাং আৰু ক'লকাতাৰ মাজৰ এহেজাৰ ৫১২ কিলোমিটাৰ দূৰত্ব ৩১ ঘণ্টাত সম্পূৰ্ণ কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মণিপুৰলৈ যাব আৰু চুড়াচান্দপুৰ আৰু ইম্ফলত দুখন জনসভাত অংশ ল'ব। মণিপুৰৰ কেইবাটাও সংগঠনে আজি মাজনিশাৰ পৰা আহ্বান দিয়া ধৰ্মঘটৰ পৰিপ্ৰেক্ষিতত সমগ্ৰ ৰাজ্যখনত নিশ্ছিদ্ৰ নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। আবেলিৰ ভাগত প্ৰধানমন্ত্ৰী গুৱাহাটীলৈ আহিব আৰু বিয়লি ৫ বজাত খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত আয়োজিত সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ শতবাৰ্ষিকীৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। এই অনুষ্ঠানতে তেওঁ ভাৰতীয় ৰিজাৰ্ভ বেংকে

জাৰি কৰা ড০ ভূপেন হাজৰিকা স্মাৰক ১০০ টকীয়া মুদ্ৰা আনুষ্ঠানিকভাৱে মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানতে অসম চৰকাৰৰ তত্বাৱধানত সংকলন কৰা ড০ ভূপেন হাজৰিকাৰ বহুভাষিক জীৱনী গ্ৰন্থখনো আনুষ্ঠানিকভাৱে উন্মোচন কৰিব। প্ৰধানমন্ত্ৰীৰ সন্মানাৰ্থে প্ৰায় এহেজাৰ ২০০গৰাকী শিল্পীয়ে খানাপাৰাৰ খেলপথাৰত বিশ্ববিশ্ৰুত শিল্পীগৰাকীৰ ১৪টা বচা বচা গান আৰু কবিতা একেলগে পৰিবেশন কৰিব।

প্ৰধানমন্ত্ৰীয়ে নিশাটো কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত কটাব আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সতীৰ্থসকলৰ সৈতে কথা-বতৰা হ'ব। পৰহিলৈ প্ৰধানমন্ত্ৰীগৰাকী মঙলদৈলৈ যাব আৰু প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্ছিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। সেইদিনাই তেওঁ ভাৰ্চুৱেল পদ্ধতিৰে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ইয়াৰ পাছত শ্ৰীমোদী গোলাঘাট জিলাৰ নুমলীগড়লৈ যাব আৰু নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। প্ৰধানমন্ত্ৰীয়ে শোধনাগাৰটোৰ নতুন পলিপ্ৰপিলিন গোটটোৰো আধাৰশিলা স্থাপন কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে যোৰহাটৰ ৰৌৰিয়া বিমান বন্দৰ হৈ নতুন দিল্লীলৈ উভতি যাব।

০০০০০০

চি পি ৰাধাকৃষ্ণণে আজি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতি ৰূপে শপত গ্ৰহণ কৰিছে। আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে তেওঁক কাৰ্যভাৰ গ্ৰহণ আৰু গোপনীয়তা ৰক্ষাৰ শপতবাক্য পাঠ কৰায়। শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দ, প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, কেন্দ্ৰীয় মন্ত্ৰীসকল - ৰাজনাথ সিং, অমিত শ্বাহ, জে পি নাড্ডা, পীযুষ গোৱেল আৰু নীতিন গাড়কাৰীকে ধৰি ভালেসংখ্যক গন্য-মান্য ব্যক্তি উপস্থিত আছিল।

উল্লেখযোগ্য যে যোৱা ৯ ছেপ্তেম্বৰত অনুষ্ঠিত উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনত এন ডি এৰ প্ৰাৰ্থী চি পি ৰাধাকৃষ্ণণে ইণ্ডি মিত্ৰজোঁটৰ প্ৰাৰ্থী বি সুদৰ্শন ৰেড্ডীক ১৫২টা ভোটৰ ব্যৱধানত পৰাজিত কৰি দেশৰ পঞ্চদশ উপ-ৰাষ্ট্ৰপতিৰূপে নিৰ্বাচিত হৈছিল।

০০০০০০

শ্ৰীলংকা চৰকাৰে প্ৰাক্তন ৰাষ্ট্ৰপতিসকলক আজীৱন চৰকাৰী বাসগৃহ আৰু অন্যান্য সা-সুবিধা প্ৰদানৰ বাবে থকা আইন প্ৰত্যাহাৰ কৰাৰ পাছত দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি মহিন্দ্ৰ ৰাজাপাক্ষই তেওঁৰ কলম্বোত থকা চৰকাৰী বাসগৃহ ত্যাগ কৰিছে। আমাৰ কলম্বোৰ সংবাদদাতাই জনোৱা মতে ৰাজাপাক্ষ আৰু তেওঁ পত্নী চিৰন্থীয়ে কালি দুপৰীয়াৰ ভাগত চৰকাৰী বাসভৱনৰ পৰা ওলাই যায়। এই দৃশ্য চাবলৈ তেওঁৰ বাসভৱনৰ সন্মুখত ভালেমান লোকৰ ভিৰ পৰিলক্ষিত হয়। উল্লেখযোগ্য যে শ্ৰীলংকাৰ সংসদত বুধবাৰে ৰাষ্ট্ৰপতি সা-সুবিধা প্ৰত্যাহাৰ আইনখন সপক্ষে ১৫১টা আৰু বিপক্ষে এটা ভোটৰ ব্যৱধানত গৃহীত হয়। ইয়াৰ ফলত শ্ৰীলংকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আৰু তেওঁলোকৰ পত্নীসকলে লাভ কৰা চৰকাৰী বাসভৱন, বিভিন্ন প্ৰকাৰৰ ভাট্টা আৰু আন সা-সুবিধাৰ বিলুপ্তি ঘটোৱা হৈছে। আমাৰ সংবাদদাতাই জনোৱা মতে আইনৰ সংশোধনীৰ ফলত দেশখনৰ আন দুগৰাকী প্ৰাক্তন ৰাষ্ট্ৰপতি মৈত্ৰীপালা চিৰিসেনা আৰু চন্দ্ৰিকা কুমাৰাতুংগাইও বৰ্তমানে বসবাস কৰি থকা চৰকাৰী বাসভৱন ত্যাগ কৰিব লাগিব।

০০০০০০

ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ইজৰাইলী সেনাবাহিনীয়ে যোৱা মঙলবাৰে কাটাৰৰ ৰাজধানী ডোহাৰ ওপৰত চলোৱা আক্ৰমণৰ গৰিহণা দিছে। পৰিষদৰ ১৫গৰাকী সদস্যৰ আটাইকেইগৰাকীয়ে স্বাক্ষৰ কৰা এটা বিবৃতিত নিৰাপত্তা পৰিষদে এই আক্ৰমণৰ গৰিহণা দিয়াৰ লগতে অঞ্চলটোত উত্তেজনা প্ৰশমনৰ বাবে কাৰ্যকৰী ব্যৱস্থা ল'বলৈ ইজৰাইলৰ প্ৰতি আহ্বান জনাইছে। সংবাদ সংস্থাসমূহে জনোৱা অনুসৰি ইজৰাইলে গাজা ভূখণ্ডৰ ওপৰত চলোৱা ব্যাপক আক্ৰমণৰ ফলত প্ৰায় ২ লাখ লোক নিজ নিজ বাসগৃহ এৰি পলায়ন কৰিছিল। ইজৰাইলী আক্ৰমণত পাঁচজন হামাছ সদস্য নিহত হৈছে। অৱশ্যে পেলেষ্টাইন কৰ্তৃপক্ষই তেওঁলোকৰ সকলো নেতা সুকলমে আছে বুলি দাবী কৰিছে।

ইপিনে, ইজৰাইলী সেনাবাহিনীয়ে ৱেষ্ট বেংকৰ টুলকাৰেম নগৰত চলোৱা আক্ৰমণৰ সময়ত ভালেসংখ্যক পেলেষ্টাইনী নাগৰিকক আটক কৰে। সমগ্ৰ অঞ্চলটোত ইজৰাইলে সান্ধ্য আইন ঘোষণা কৰিছে আৰু ইজৰাইলী সেনাই বাসগৃহ, দোকান আৰু হোটেলসমূহলৈ গৈ হামাছ সদস্যৰ সন্ধানত তালাচী চলায়। উল্লেখযোগ্য যে সাম্প্ৰতিক সময়ত ৱেষ্ট বেংকত চলোৱা ধাৰাবাহিক ইজৰাইলী আক্ৰমণত ভালেসংখ্যক পেলেষ্টাইনী নাগৰিক নিহত হৈছে আৰু অঞ্চলসমূহ ধ্বংসস্তূপত পৰিণত হৈছে।

oooooo

চিক্কিমৰ গ্যায়ালচিং জিলাৰ ৰিমবিক গাঁৱত যোৱা নিশা হোৱা ভূমিস্খলনৰ ঘটনাত চাৰিজন লোক নিহত হয়। চৰকাৰী সূত্ৰই জনোৱা মতে এই ঘটনাত এগৰাকী লোক নিৰুদ্দিষ্ট হৈ আছে আৰু আন এগৰাকী লোক আহত হৈছে। মৃতকসকলৰ ভিতৰত একেটা পৰিয়ালৰ তিনিগৰাকী লোক আছে। আৰক্ষী আৰু অন্যান্য সংস্থাৰ সহযোগত উদ্ধাৰ অভিযান অব্যাহত আছে। যোৱা নিশা হোৱা প্ৰবল বৰষুণৰ বাবে ভূমিস্খলনৰ ঘটনা সংঘটিত হোৱা বুলি ধাৰণা কৰা হৈছে।

oooooo

নেপালৰ ৰাষ্ট্ৰপতি ৰামচন্দ্ৰ পৌডেল আৰু অধ্যক্ষ দেৱৰাজ ঘিমিৰে কালি এখনত বৈঠকত মিলিত হয়। এই বৈঠকত নেপালৰ শেহতীয়া ৰাজনৈতিক ঘটনাৱলী আৰু সমসাময়িক প্ৰেক্ষাপট আলোচনা কৰা হয়। দুয়োগৰাকী নেতাই দেশখনৰ শেহতীয়া ৰাজনৈতিক অচলাৱস্থাৰ সমাধান সন্দৰ্ভতো আলোচনা কৰে। অধ্যক্ষৰ সৈতে হোৱা বৈঠকত ৰাষ্ট্ৰপতি পৌডেলে সংবিধানৰ গণ্ডীৰ মাজতে ৰাজনৈতিক অচলাৱস্থাৰ সমাধানৰ পোষকতা কৰে। যোৱা ৮ ছেপ্তেম্বৰত দেশখনত সূত্ৰপাত হোৱা ৰাষ্ট্ৰপতি আৰু অধ্যক্ষৰ এই বৈঠক বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে বুলি আমাৰ কাঠমাণ্ডুৰ সংবাদদাতাই জনাইছে।

oooooo

চট্টিছগড়ত আজি নিৰাপত্তাৰক্ষী আৰু মাওবাদীৰ মাজত হোৱা সংঘৰ্ষৰ ফলত দুজন মাওবাদী নিহত হয়। বিজাপুৰ জিলাৰ বাষ্টাৰ সংমণ্ডলত মাওবাদীৰ উপস্থিতিৰ খবৰ লাভ কৰাৰ পাছত মাওবাদীৰ বিৰুদ্ধে নিৰাপত্তাৰক্ষীয়ে এটা যুটীয়া অভিযান চলায়। আজি পুৱাৰে পৰা চলোৱা অভিযানত নিৰাপত্তাৰক্ষী আৰু মাওবাদীৰ মাজত গুলীয়াগুলী সংঘটিত হয়। পাছত সংঘৰ্ষস্থলীৰ পৰা নিৰাপত্তাৰক্ষীয়ে দুজন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰে। ইয়াৰোপৰি,

ঘটনাস্থলীৰ পৰা এটা ৰাইফল আৰু কিছু বিস্ফোৰক সামগ্ৰীও উদ্ধাৰ কৰা হয়। অঞ্চলটোত মাওবাদীৰ বিৰুদ্ধে অভিযান অব্যাহত আছে।

০০০০০০

ভাৰত আৰু ফ্ৰান্সে জম্মু আৰু কাশ্মীৰৰ পেহেলগামত যোৱা এপ্ৰিল মাহত সংঘটিত সন্ত্ৰাসবাদীৰ জঘন্য আক্ৰমণক গৰিহণা দিছে। পেৰিচত অনুষ্ঠিত ভাৰত-ফ্ৰান্স সন্ত্ৰাসবাদবিৰোধী যুটীয়া কৰ্মগোটৰ সপ্তদশ বৈঠকৰ অন্তত দেশ দুখনে জাৰি কৰা যুটীয়া বিবৃতিত পেহেলগামৰ ঘটনাক একমুখে গৰিহণা দিয়ে। এই বৈঠকত ভাৰতীয় দলৰ নেতৃত্ব দিয়ে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সন্ত্ৰাসবাদ বিৰোধী শাখাৰ যুটীয়া সচিব কে ডি দেৱল আৰু ফৰাচী পক্ষক নেতৃত্ব দিয়ে দেশখনৰ সন্ত্ৰাসবাদ বিৰোধী ৰাষ্ট্ৰদূত অলিভাৰ কেৰণে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে দুয়ো দেশে সন্ত্ৰাসবাদ বিৰোধী কাৰ্যকলাপ প্ৰতিৰোধৰ কৌশল, সন্ত্ৰাসবাদীয়ে অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰৰ আশংকা সম্পৰ্কত আলোচনা কৰাৰ লগতে সীমান্তৰ সিপাৰৰ পৰা হোৱা সন্ত্ৰাসবাদী কাৰ্যকলাপ আৰু পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কতো আলোচনা কৰে।

০০০০০০

সমাপ্ত